CNPT/CCM/3/25

# GENERAL STUDIES—II

## ( Paper—3 )

*Full Marks* : 250

*Time* : 3 hours

---

## QUESTION PAPER SPECIFIC INSTRUCTIONS

***Please read each of the following instructions carefully before attempting questions***

There are **TWENTY** questions printed in **ENGLISH** and **ASSAMESE**.

All questions are compulsory.

The answers must be written in the medium or language (English/Assamese) of the candidate's choice. Answer should be written in the space as per the question provided. Multiple languages in the same answer scripts WILL NOT BE EVALUATED.

The number of marks carried by a question and word limit are indicated against it.

Keep the word limit indicated in the questions in mind.

Any page or portion of the page left blank in the Question-cum-Answer (QCA) Booklet must be clearly struck off.

---

1. 'Mission Karmayogi' seeks to transform India's Civil Services from a rule-based bureaucracy to a role-based, citizen-centric institution. Evaluate the potential and limitations of Mission Karmayogi in improving administration. How do you propose to resolve the Digital Divide? (Answer in 150 words) 10

'মিছন কৰ্মযোগী'এ ভাৰতৰ অসামৰিক সেৱাক নিয়মভিত্তিক আমোলাতন্ত্ৰৰ পৰা ভূমিকাভিত্তিক, নাগৰিককেন্দ্ৰিক প্ৰতিষ্ঠানলৈ ৰূপান্তৰিত কৰিব বিচাৰে। প্ৰশাসনৰ উন্নতিৰ ক্ষেত্ৰত মিছন কৰ্মযোগীৰ সম্ভাৱনা আৰু সীমাবদ্ধতাসমূহৰ মূল্যায়ন কৰক। 'ডিজিটেল ডিভাইড' (সাংখ্যিক বিভেদ)ক কেনেকৈ সমাধান কৰিব পাৰি, প্ৰস্তাৱ দিয়ক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

2. The framers of the Constitution sought to combine political democracy with social and economic justice, but India still continues to face deep inequalities. Within this context, explain how the design of the Constitution attempts to move society from 'formal equality' to 'substantive equality'. Do you think that constitutional design alone is sufficient to reduce structural injustice, or whether it sometimes enables the status quo? Substantiate your answer with suitable examples. (Answer in 150 words) 10

সংবিধান প্ৰণেতাসকলে ৰাজনৈতিক গণতন্ত্ৰক সামাজিক আৰু অৰ্থনৈতিক ন্যায়ৰ সৈতে সংযুক্ত কৰিব বিচাৰিছিল, যদিও ভাৰতে এতিয়াও গভীৰ বৈষম্যৰ সন্মুখীন হৈয়েই আছে। এই প্ৰেক্ষাপটত ব্যাখ্যা কৰক কেনেকৈ সংবিধানৰ গঠনপ্ৰণালীয়ে সমাজখনক 'আনুষ্ঠানিক সমতা'ৰ পৰা 'বাস্তৱিক (সাৰবস্তুগত) সমতা'লৈ আগুৱাই নিবলৈ চেষ্টা কৰিছে। আপুনি ভাবেনে যে গাঁথনিগত অন্যায় হ্ৰাস কৰিবলৈ কেৱল সাংবিধানিক গঠনপ্ৰণালীয়েই যথেষ্ট, নে ই কেতিয়াবা বৰ্তমানৰ স্থিতিকেই (status quo) বাহাল ৰাখেনেকি? উপযুক্ত উদাহৰণেৰে আপোনাৰ উত্তৰটো প্ৰমাণ কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

3. "Despite being one of the world's fastest growing economies, India continues to identify itself as a representative of the Global South." Critically examine whether this dual identity creates diplomatic advantages or policy contradictions. (Answer in 150 words) 10

''বিশ্বৰ অন্যতম দ্ৰুতগতিত বৃদ্ধি পোৱা অৰ্থনীতি হোৱাৰ পিছতো ভাৰতে নিজকে 'বৈশ্বিক দক্ষিণ' (Global South)ৰ প্ৰতিনিধি হিচাপে পৰিচয় দি আহিছে।'' এই দ্বৈত পৰিচয়ে কূটনৈতিক সুবিধাৰ সৃষ্টি কৰে নে নীতিগত বৈপৰীত্য সৃষ্টি কৰে সেই বিষয়ে সমালোচনাত্মকভাৱে পৰীক্ষা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

4. India's position on Russia-Ukraine conflict has been described as 'principled pragmatism'. Has this approach enhanced India's global credibility? Justify your answer. (Answer in 150 words) 10

ৰাছিয়া-ইউক্ৰেনৰ সংঘাতৰ ক্ষেত্ৰত ভাৰতৰ স্থিতিক 'নীতিনিষ্ঠ বাস্তৱবাদ' (principled pragmatism) বুলি অভিহিত কৰা হৈছে। এই পন্থাই ভাৰতৰ বিশ্বব্যাপী বিশ্বাসযোগ্যতা বৃদ্ধি কৰিছেনে? আপোনাৰ উত্তৰটোৰ ন্যায্যতা প্ৰদান কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

5. Nobel laureate Amartya Sen defines poverty as a 'failure of certain basic capabilities'. Compare and contrast the definition of income poverty and multidimensional poverty with Sen's definition. (Answer in 150 words) 10

নোবেল বঁটা বিজয়ী অমৰ্ত্য সেনে দৰিদ্ৰতাক 'কিছুমান মৌলিক সামৰ্থ্যৰ বিফলতা' বুলি সংজ্ঞায়িত কৰিছে। আয়ৰ দৰিদ্ৰতা আৰু বহুমাত্ৰিক দৰিদ্ৰতাৰ সংজ্ঞাক সেনৰ সংজ্ঞাৰ সৈতে তুলনা কৰক আৰু এইবোৰৰ বৈপৰীত্যৰ তুলনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

6. "Colonial-era demarcations have impacted present-day Assam's relationship with its neighbouring States." Critically analyze this statement. (Answer in 150 words) 10

"ঔপনিৱেশিক যুগৰ সীমা নিৰ্ধাৰণে বৰ্তমানৰ অসমৰ চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে সম্পৰ্কত প্ৰভাৱ পেলাইছে।" এই বক্তব্যটো সমালোচনাত্মকভাৱে বিশ্লেষণ কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

7. What is the foundation of India-European Union bilateral relations? What is the impact of EU's Carbon Border Adjustment Mechanism (CBAM) on Indian exports? (Answer in 150 words) 10

ভাৰত-ইউৰোপীয় সংঘৰ দ্বিপাক্ষিক সম্পৰ্কৰ ভেঁটি কি? ভাৰতীয় ৰপ্তানিৰ ওপৰত ইউৰোপীয় ইউনিয়নৰ 'কাৰ্বন সীমান্ত সমন্বয় ব্যৱস্থা' (কাৰ্বন বৰ্ডাৰ এডজাষ্টমেন্ট মেকানিজম—চি.বি.এ.এম.)ৰ প্ৰভাৱ কি? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

8. "Political decentralization without adequate administrative and fiscal devolution is a major obstacle to local self-governance." Critically analyze this statement in the context of India's local self-governance. (Answer in 150 words) 10

"পৰ্যাপ্ত প্ৰশাসনিক আৰু বিত্তীয় ক্ষমতা হস্তান্তৰ অবিহনে ৰাজনৈতিক বিকেন্দ্ৰীকৰণ স্থানীয় আত্মশাসনৰ ক্ষেত্ৰত এক ডাঙৰ বাধা।" ভাৰতৰ স্থানীয় আত্মশাসনৰ প্ৰেক্ষাপটত এই বক্তব্যক সমালোচনাত্মকভাৱে বিশ্লেষণ কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

9. The impending delimitation exercise faces a structural deadlock due to stark demographic divergence between the Northern and Southern States in India. Suggest institutional mechanisms to ensure that the States with successful population control are not marginalized. Do the initiatives to link delimitation with women reservation meet with success? If not, why? (Answer in 150 words) 10

ভাৰতৰ উত্তৰ আৰু দক্ষিণৰ ৰাজ্যসমূহৰ মাজত থকা তীব্ৰ জনগাঁথনিগত পাৰ্থক্যৰ বাবে আগন্তুক সীমা নিৰ্ধাৰণৰ অনুশীলনে গাঁথনিগত অচলাৱস্থাৰ সন্মুখীন হৈছে। সফল জনসংখ্যা নিয়ন্ত্ৰণ থকা ৰাজ্যসমূহ যাতে প্ৰান্তীয়কৃত নহয় তাৰ বাবে প্ৰাতিষ্ঠানিক ব্যৱস্থাৰ পৰামৰ্শ দিয়ক। মহিলা সংৰক্ষণৰ সৈতে সীমা নিৰ্ধাৰণক সংযোগ কৰাৰ পদক্ষেপসমূহে সফলতা লাভ কৰিলেনে? যদি নাই কৰা, ইয়াৰ কাৰণ কি? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**10.** The 16th Finance Commission maintained the vertical devolution at 41%. Did it fail to address the long-standing complaint of the States that their revenue-raising capacity under GST regime has shrunk drastically compared to the expanding welfare policies they embark upon? Explain. (Answer in *150* words) 10

১৬ নং বিত্ত আয়োগে উলম্ব হস্তান্তৰৰ হাৰ ৪১%তেই অপৰিৱৰ্তিত ৰাখিছে। ৰাজ্যসমূহে গ্ৰহণ কৰা সম্প্ৰসাৰিত কল্যাণমূলক নীতিৰ তুলনাত জিএছটি শাসনৰ অধীনত তেওঁলোকৰ ৰাজহ সংগ্ৰহৰ ক্ষমতা ভয়ংকৰভাৱে সংকুচিত হৈছে বুলি দীৰ্ঘদিনীয়া অভিযোগটো সমাধান কৰাত আয়োগ ব্যৰ্থ হ'লনেকি? ব্যাখ্যা কৰা।

(১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**11.** "The rise of Artificial Intelligence, digital governance and data-driven policy making has fundamentally altered the competencies required of civil servants." Critically examine the statement and also discuss its likely impact on emotional intelligence required of a responsive civil servant. (Answer in *250* words) 15

"কৃত্ৰিম বুদ্ধিমত্তা, ডিজিটেল শাসনব্যৱস্থা আৰু তথ্য-চালিত নীতি নিৰ্ধাৰণৰ উত্থানে চৰকাৰী কৰ্মচাৰীৰ প্ৰয়োজনীয় দক্ষতাৰ মৌলিক পৰিৱৰ্তন ঘটাইছে।" বক্তব্যটো সমালোচনাত্মকভাৱে পৰীক্ষা কৰক আৰু লগতে এজন সঁহাৰি জনোৱা চৰকাৰী কৰ্মচাৰীৰ বাবে প্ৰয়োজনীয় আৱেগিক বুদ্ধিমত্তাৰ ওপৰত ইয়াৰ কি সম্ভাব্য প্ৰভাৱ হ'ব পাৰে, আলোচনা কৰক।

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**12.** The doctrine of basic structure places substantive limits on formal majorities, especially when vulnerable groups or dissenting voices are affected. Taking the perspective of a constitutional decision-maker, construct a reasoned response to the following dilemma :

"A proposed constitutional amendment promises rapid economic growth and national security, but weakens institutional safeguards that protect minorities and political opposition."

Express *(a)* how you would assess the proposal in the light of basic structure principles, *(b)* what alternate policy or legal pathways you would explore to reconcile development and rights, and *(c)* how you would communicate your decision in a way that sustains public trust in constitutional democracy. (Answer in *250* words) 15

মৌলিক গাঁথনিৰ মতবাদে, বিশেষকৈ যেতিয়া দুৰ্বল গোট বা বিৰোধী কণ্ঠ প্ৰভাৱিত হোৱা পৰিস্থিতিত, আনুষ্ঠানিক সংখ্যাগৰিষ্ঠতাৰ ওপৰত গুৰুত্বপূৰ্ণ সীমা নিৰ্ধাৰণ কৰে। সাংবিধানিক সিদ্ধান্ত গ্ৰহণকাৰীৰ দৃষ্টিভংগী লৈ তলত দিয়া দ্বিধাদ্বন্দ্বৰ প্ৰতি যুক্তিযুক্ত সঁহাৰি গঢ়ি তোলক :

"এটা প্ৰস্তাৱিত সাংবিধানিক সংশোধনে দ্ৰুত অৰ্থনৈতিক বৃদ্ধি আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতিশ্ৰুতি দিয়ে, কিন্তু সংখ্যালঘু আৰু ৰাজনৈতিক বিৰোধিতাক সুৰক্ষা দিয়া প্ৰাতিষ্ঠানিক সুৰক্ষাক দুৰ্বল কৰে।"

প্ৰকাশ কৰক (ক) আপুনি মৌলিক গাঁথনিৰ নীতিৰ পোহৰত প্ৰস্তাৱটোৰ মূল্যায়ন কেনেকৈ কৰিব, (খ) উন্নয়ন আৰু অধিকাৰৰ মাজত মিল ৰাখিবলৈ আপুনি কি কি বিকল্প নীতি বা আইনী পথ অন্বেষণ কৰিব, আৰু (গ) আপুনি সাংবিধানিক গণতন্ত্ৰৰ ওপৰত জনসাধাৰণৰ আস্থা বজাই ৰাখিব পৰাকৈ আপোনাৰ সিদ্ধান্ত কেনেকৈ প্ৰকাশ কৰিব।

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

13. Alternative dispute redressal forums and specialized tribunals were set up to reduce pressure on regular courts and provide quicker expert justice. As a civil servant handling a large dispute, such as displacement caused by a project, denial of welfare benefits, or environmental harm, explain how you would decide which forum or mechanism is most suitable. Also discuss the ethical balance between speed and thoroughness, technical expertise and public participation, and institutional authority and empathy for affected communities. (Answer in 250 words) 15

নিয়মীয়া আদালতৰ ওপৰত হেঁচা কমোৱাৰ বাবে আৰু বিশেষজ্ঞৰ ক্ষিপ্ৰ ন্যায় প্ৰদানৰ বাবে বিকল্প বিবাদ নিৰাময় মঞ্চ আৰু বিশেষ ন্যায়াধিকৰণ গঠন কৰা হৈছে। বৃহৎ বিবাদ, যেনে কোনো প্ৰকল্পৰ ফলত হোৱা স্থানচ্যুতি, কল্যাণমূলক সুবিধাৰ পৰা বঞ্চিত হোৱা, বা পৰিৱেশৰ ক্ষতিৰ ব্যৱস্থা কৰাৰ বাবে কোনটো মঞ্চ বা ব্যৱস্থা আটাইতকৈ উপযুক্ত সেইটো কেনেকৈ সিদ্ধান্ত ল'ব সেই বিষয়ে ব্যাখ্যা কৰক। লগতে গতি আৰু পুংখানুপুংখতা, কাৰিকৰী বিশেষজ্ঞতা আৰু জনসাধাৰণৰ অংশগ্ৰহণ, আৰু প্ৰভাৱিত সম্প্ৰদায়ৰ প্ৰতি প্ৰাতিষ্ঠানিক কৰ্তৃত্ব আৰু সহানুভূতিৰ মাজৰ নৈতিক ভাৰসাম্যৰ বিষয়েও আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

14. Read the following statement carefully :

"India's aspiration to become a developed nation by 2047 depends as much on its external engagement as on its domestic transformation."

In the light of this statement, propose a comprehensive foreign policy framework that balances India's national interests with its global responsibilities as well as domestic transformation policy measures to enable it to reach its goal. (Answer in 250 words) 15

তলত দিয়া উক্তিটো মনোযোগ সহকাৰে পঢ়ক :

"২০৪৭ চনৰ ভিতৰত ভাৰতৰ উন্নত ৰাষ্ট্ৰ হোৱাৰ আকাঙ্ক্ষা ইয়াৰ বাহ্যিক নিয়োজিততাৰ ওপৰত যিমানেই নিৰ্ভৰশীল সিমানেই ইয়াৰ ঘৰুৱা ৰূপান্তৰৰ ওপৰতো নিৰ্ভৰশীল।"

এই বিবৃতিৰ আধাৰত ভাৰতৰ ৰাষ্ট্ৰীয় স্বাৰ্থ আৰু বৈশ্বিক দায়বদ্ধতাৰ মাজত ভাৰসাম্য ৰক্ষা কৰা এক বিস্তৃত বৈদেশিক নীতিৰ কাঠামো প্ৰস্তাৱ কৰক আৰু লক্ষ্যত উপনীত হ'ব পৰাকৈ ঘৰুৱা পৰিৱৰ্তন নীতিৰ ব্যৱস্থাসমূহৰ বিষয়েও আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

15. Comment on the occurrence of urban flooding in Guwahati city. What would you attribute this disaster to? Elaborate on the extent to which this hydrometeorological disaster can be attributed to climate change or unplanned urban development. What are the global best practices to address this issue? (Answer in 250 words) 15

গুৱাহাটী মহানগৰীত নগৰীয়া বানপানীৰ সংঘটন সন্দৰ্ভত মন্তব্য কৰক। এই দুৰ্যোগৰ কাৰণ আপুনি কি বুলি ক'ব? এই জল-বতৰবিজ্ঞানসম্মত দুৰ্যোগৰ বাবে জলবায়ু পৰিৱৰ্তন বা অপৰিকল্পিত নগৰ উন্নয়ন কিমানখিনি জগৰীয়া হ'ব পাৰে সেই বিষয়ে বিশদভাৱে আলোচনা কৰক। এই সমস্যাটোৰ সমাধানৰ বাবে বিশ্বব্যাপী সৰ্বোত্তম পদ্ধতিসমূহ কি কি? (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**16.** "Assam tops all States in terms of violence against women, according to the National Crime Records Bureau (NCRB) 2021 report." Examine the statement against the perception that women in Assam have more freedom than their counterparts in other parts of India. (Answer in 250 words) 15

"ৰাষ্ট্ৰীয় অপৰাধ অভিলেখ ব্যুৰো (নেশ্যনেল ক্ৰাইম ৰেকৰ্ডচ ব্যুৰো—এন.চি.আৰ.বি.) ২০২১ৰ প্ৰতিবেদন অনুসৰি মহিলাৰ ওপৰত হোৱা হিংসাৰ ক্ষেত্ৰত অসমে সকলো ৰাজ্যৰ ভিতৰতে শীৰ্ষস্থান দখল কৰিছে।" ভাৰতৰ অন্যান্য প্ৰান্তৰ সমকক্ষসকলতকৈ অসমৰ মহিলাসকলৰ স্বাধীনতা অধিক বুলি ধাৰণাটোৰ বিপৰীতে উক্ত বক্তব্য পৰীক্ষা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**17.** "India follows a model of 'principled equidistance', where the State may keep a principled distance from religion, whereas France adheres to the doctrine of 'laicite' based on strict separation of religion and the State." Compare these two models of secularism. (Answer in 250 words) 15

"ভাৰতে 'নীতিগত সমদূৰত্ব'ৰ আৰ্হি অনুসৰণ কৰে, য'ত ৰাষ্ট্ৰই ধৰ্মৰ পৰা নীতিগত দূৰত্ব ৰাখিব পাৰে আনহাতে ফ্ৰান্সে ধৰ্ম আৰু ৰাষ্ট্ৰৰ কঠোৰ পৃথকীকৰণৰ ওপৰত ভিত্তি কৰি 'লেইচিটে'ৰ মতবাদ মানি চলে।" ধৰ্মনিৰপেক্ষতাৰ এই দুটা আৰ্হিৰ তুলনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**18.** "Climate change is not only an environmental challenge but also a question of social justice, as its impacts are disproportionately experienced by vulnerable communities." Analyze this statement in the light of climate-responsive public policies and welfare interventions to reduce the disproportionate burden of climate change on vulnerable communities. (Answer in 250 words) 15

"জলবায়ু পৰিৱৰ্তন কেৱল পৰিৱেশৰ প্ৰত্যাহ্বান নহয়, সামাজিক ন্যায়ৰ প্ৰশ্নও, কিয়নো ইয়াৰ প্ৰভাৱ দুৰ্বল সম্প্ৰদায়সমূহে অসমতাপূৰ্ণভাৱে অনুভৱ কৰে।" জলবায়ুৰ প্ৰতি সঁহাৰি জনোৱা ৰাজহুৱা নীতি আৰু কল্যাণমূলক হস্তক্ষেপৰ পোহৰত এই বক্তব্য বিশ্লেষণ কৰক যাতে দুৰ্বল সম্প্ৰদায়সমূহৰ ওপৰত জলবায়ু পৰিৱৰ্তনৰ অসমতাপূৰ্ণ বোজা হ্ৰাস পায়। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**19.** Sustainable Development Goal 4 (Quality Education) and Goal 8 (Decent Work and Economic Growth) emphasize the role of skill and knowledge in human resource development. Critically examine the challenges and opportunities in aligning India's education and skill development systems with these goals. Has NEP 2020 been aligned with these goals? (Answer in 250 words) 15

বহনক্ষম উন্নয়নৰ লক্ষ্য ৪ (গুণগত শিক্ষা) আৰু লক্ষ্য ৮ (মান্য কাম আৰু অৰ্থনৈতিক বৃদ্ধি)ত মানৱ সম্পদ উন্নয়নত দক্ষতা আৰু জ্ঞানৰ ভূমিকাক গুৰুত্ব দিয়া হৈছে। ভাৰতৰ শিক্ষা আৰু দক্ষতা বিকাশ ব্যৱস্থাক এই লক্ষ্যসমূহৰ সৈতে একাকাৰ কৰাৰ ক্ষেত্ৰত প্ৰত্যাহ্বান আৰু সুযোগসমূহ সমালোচনাত্মকভাৱে পৰীক্ষা কৰা। NEP ২০২০ৰ লক্ষ্য এইবোৰ লক্ষ্যৰ লগত মিলেনে? (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**20.** While the Representation of the People Act, 1951 is the foundational bedrock of India's electoral system, in the light of the contemporary challenges like transparency gaps in financing of political parties and election campaigns as well as controversies surrounding SIR of electoral rolls, critically evaluate if the Act needs a structural overhaul. (Answer in *250* words) 15

জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ ভাৰতৰ নিৰ্বাচনী ব্যৱস্থাৰ মূল আধাৰ হ'লেও ৰাজনৈতিক দল আৰু নিৰ্বাচনী প্ৰচাৰৰ বিত্তীয় সাহায্যৰ স্বচ্ছতাৰ ব্যৱধানৰ দৰে সমসাময়িক প্ৰত্যাহ্বানৰ লগতে নিৰ্বাচনী তালিকাৰ এছ.আই.আৰ.ক কেন্দ্ৰ কৰি হোৱা বিতৰ্কৰ পোহৰত আইনখনৰ গাঁথনিগত সংস্কাৰৰ প্ৰয়োজন আছে নে নাই সেইটো সমালোচনাত্মকভাৱে মূল্যায়ন কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

★★★